# Prime Minister participates in the birth centenary celebrations of 'Jatir Pita' Bangabandhu, Sheikh Mujibur Rahman

March 17, 2020

---

## প্ৰধানমন্ত্ৰীৰ 'জাতিৰ পিতা' বংগবন্ধু শ্বেইখ মুজিবুৰ ৰহমানৰ জন্ম শতবৰ্ষিকী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ

মাৰ্চ 17, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এক ভিডিঅ' কনফাৰেন্স যোগে 'জাতিৰ পিতা' বংগবন্ধু, শ্বেইখ মুজিবুৰ ৰহমানৰ জন্ম শতবৰ্ষিকী অনুষ্ঠানত অংশ লয়।

প্ৰধানমন্ত্ৰীয়ে শ্বেইখ মজিবুৰ ৰহমানক বিগত শতিকাৰ মহান ব্যক্তিসকলৰ অন্যতম বুলি আখ্যা দিয়াৰ লগতে কয় যে 'তেওঁৰ সমগ্ৰ জীৱন আমাৰ সকলোৰে বাবে প্ৰেৰণাদায়ক।'

বংগবন্ধুক শৌৰ্য, বিশ্বাস আৰু শান্তিৰ অনুপম প্ৰতীক বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে বাংলাদেশৰ 'জাতিৰ পিতা'গৰাকীয়ে সেই সময়ৰ যুৱক–যুৱতীসকলক দেশৰ স্বাধীনতাৰ প্ৰত্যাহ্বান গ্ৰহণৰ বাবে প্ৰেৰণা যোগাইছিল।

প্ৰধানমন্ত্ৰীয়ে লগতে উল্লেখ কৰে যে কিদৰে এক দমনমূলক আৰু কঠোৰ শাসন ব্যৱস্থাই সকলো গণতান্ত্ৰিক মূল্যবোধক উপেক্ষা কৰি 'বাংলাভূমি'ৰ ওপৰত অন্যায় কৰি আহিছিল আৰু ইয়াৰ লোকসকলৰ জীৱন দুৰ্বিসহ কৰি তুলিছিল। বাংলাদেশক বিধ্বস্ত আৰু নৰসংহাৰৰ অতি কষ্টকৰ অৱস্থাৰ পৰা মুক্তি দিয়াৰ লক্ষ্যৰে তথা এক ইতিবাচক তথা প্ৰগতিশীল সমাজ গঢ় দিয়াৰ বাবে নিজৰ জীৱনৰ প্ৰতিটো মূহূৰ্ত অৰ্পণ কৰা বংগবন্ধুৰ ত্যাগৰ কথাও প্ৰধানমন্ত্ৰীয়ে স্মৰণ কৰে।

প্ৰধানমন্ত্ৰীয়ে কয়, "বংগবন্ধু এই কথাত স্পষ্ট আছিল যে ঘৃণা আৰু নেতিবাচক মনোভাৱ কেতিয়াও কোনো দেশৰ উন্নয়নৰ ভিত্তি হব নোৱাৰে। কিন্তু বংগবন্ধুৰ এই চিন্তাধাৰাক একাংশ লোকে বৰ ভাল পোৱা নাছিল সেইসকলে তেখেতক আমাৰ পৰা দূৰ কৰিছিল।"

প্ৰধানমন্ত্ৰীয়ে কয়, "আমি সকলোৱে দেখি আছো যে সন্ত্ৰাস, ৰাজনীতি আৰু কূটনীতিৰ হিংসাত্মক হাথিয়াৰে কেনেদৰে এখন সমাজ আৰু ৰাষ্ট্ৰক ধ্বংস কৰে। সমগ্ৰ বিশ্বই এইবোৰ দেখি আহিছে যে সন্ত্ৰাসবাদ আৰু ইয়াৰ পৃষ্ঠোপোষকসকল এতিয়া ক'ত আছে আৰু কেনেদৰে আছে, যিসময়ত বাংলাদেশে উন্নতি আৰু অগ্ৰগতিৰ নতুন শিখৰত উপনীত হৈছে।"

প্ৰধানমন্ত্ৰীয়ে বাংলাদেশৰ লোকসকলে শ্বেইখ মজিবুৰ ৰহমানৰ সপোনৰ 'সোনাৰ বাংলা', তেওঁলোকৰ ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত নিজকে উচৰ্গা কৰাটোক লৈ সন্তোষ্টি প্ৰকাশ কৰে।

শ্বেইখ মুজিবুৰ ৰহমানে ‘সোণৰ বাংলা’ গঢ়ি তোলাৰ যি সপোন দেখিছিল, সেই সপোনক বাস্তৱায়িত কৰাৰ কাৰণে বাংলাদেশৰ লোকসকলে নিজকে উচৰ্গা কৰাটোক লৈ প্ৰধানমন্ত্ৰীয়ে সন্তোষ্টি প্ৰকাশ কৰে।

বংগবন্ধুৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ অন্তৰ্ভূক্তিমূলক তথা উন্নয়নমুলক নীতিৰে মাননীয় শ্বেইখ হাছিনাৰ নেতৃত্বত বাংলাদেশ উন্নতিৰ প্ৰশংসা কৰি প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে বাংলাদেশে অৰ্থনীতিয়েই হওক, অন্যান্য সামাজিক সূচক তথা ক্ৰীড়া ক্ষেত্ৰতো নতুন মাপকাঠি স্থাপন কৰিছে। প্ৰধানমন্ত্ৰীয়ে দক্ষতা, শিক্ষা, স্বাস্থ্য, মহিলা সৱলীকৰণ আৰু ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ দৰে শিতানত অভূতপূৰ্ব সফলতা অৰ্জন কৰাৰ বাবে বাংলাদেশক প্ৰশংসা কৰে।

প্ৰধানমন্ত্ৰীয়ে কয়, “বিগত কেইটামান বৰ্ষত ভাৰত আৰু বাংলাদেশে দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষেত্ৰত এক সোণালী অধ্যায় ৰচনা কৰিছে আৰু দুয়ো দেশৰ অংশীদাৰিত্বই এক নতুন মাত্ৰা তথা পথ দেখুৱাইছে। দুয়োখন দেশৰ মাজত বৰ্ধিত বিশ্বাসৰ বাবেই সীমাৰ ক্ষেত্ৰত বহু জটিল বিষয় পৰস্পৰে বন্ধুত্বপূৰ্ণভাৱে মীমাংসা কৰিছে।”

তেওঁ কয় যে বাংলাদেশ দক্ষিণ এছিয়াত ভাৰতৰ কেৱল সৰ্ববৃহৎ ব্যৱসায়িক সহযোগিতাই নহয়, বৰঞ্চ ই বিকাশ যাত্ৰাৰো সহযোগী হৈ আহিছে। তেওঁ দুয়োখন দেশৰ মাজত বিদ্যুৎ বিতৰণ, বন্ধুত্বপূৰ্ণ পাইপলাইন, পথ, ৰে’ল, ইন্টাৰনেট, আকাশী পথৰ দৰে সহযোগিতামূলক ক্ষেত্ৰৰ আলোকপাত কৰি কয় যে এই ক্ষেত্ৰসমূহে সংযোগ বৃদ্ধি কৰাৰ লগতে দেশৰ লোকসকলৰ মাজৰ সম্পৰ্ক আৰু অধিক বৃদ্ধি কৰিছে।

প্ৰধানমন্ত্ৰীয়ে দুয়ো দেশৰ ঐতিহ্যৰ ক্ষেত্ৰত ৰবীন্দ্ৰ নাথ ঠাকুৰ, কাজি নজৰুল ইছলাম, ওস্তাদ আলাউদ্দিন খান, লালন শ্বাহ, জীৱনানন্দ দাস আৰু ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ দৰে বুদ্ধিজীৱিৰ কথা উল্লেখ কৰে।।

তেওঁ কয় যে বংগবন্ধুৰ আদৰ্শ আৰু প্ৰেৰণাৰ ফলত দুয়োখন দেশৰ ঐতিহ্য অধিক বিস্তৃত আৰু সুদৃঢ় হৈছে। বংগবন্ধুৰ প্ৰদৰ্শিত পথ অনুসৰণ কৰি যোৱা দশকত দুয়োখন দেশৰ মাজত অংশীদাৰিত্ব, প্ৰগতি আৰু সমৃদ্ধিৰ ক্ষেত্ৰত দৃঢ় ভিত্তি প্ৰতিষ্ঠিত হৈছে।

প্ৰধানমন্ত্ৰী মোদীয়ে দুয়োখন দেশৰ অনাগত ঐতিহাসিক ক্ষণৰ কথাও উল্লেখ কৰি কয় যে অহা বছৰ বাংলাদেশে স্বাধীনতাৰ ৫০সংখ্যক বৰ্ষপূৰ্তি পালন কৰিব আৰু ২০২২ বৰ্ষত ভাৰতে স্বাধীনতাৰ ৭৫সংখ্যক বৰ্ষপূৰ্তি পালন কৰিব। প্ৰধানমন্ত্ৰীৰ আস্থা প্ৰকাশ কৰে যে এই দুয়োটা ঐতিহাসিক কাৰ্যসূচীয়ে ভাৰত আৰু বাংলাদেশক উন্নতিৰ নতুন শিখৰত উপনীত কৰাৰ লগতে দেশ দুখনৰ মাজত বন্ধুত্ব আৰু অধিক সুদৃঢ় কৰিব।

**নতুন দিল্লী**
**মাৰ্চ 17, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.